Dream Dare Win
www.jeywin.com

C·S (M) 09

Sl. No. 185

D–DTN–J–BTB

# ASSAMESE

## Paper—II

## ( Literature )

Time Allowed : Three Hours

Maximum Marks : 300

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

## Section—A

1. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ 200 (দুইশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

   (a) মাধৱদেৱৰ বৰগীতত শিশু কৃষ্ণৰ বাল্য-জীৱনৰ ৰং-বিৰঙৰ ছবি কিদৰে ফুটি ওলাইছে, আলোচনা কৰাঁ।

   (b) ভট্টদেৱৰ 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধৰ বিষয়বস্তু চমুকৈ আলোচনা কৰাঁ।

   (c) ''কামজয় নামে ইটো কেশৱৰ কেলি—'' এই উক্তিৰ আধাৰত কীৰ্তনৰ অন্তৰ্গত ৰাস-ক্ৰীড়াৰ মহত্ত্ব বিচাৰ কৰাঁ।

   (d) 'গুৰু চৰিত-কথা'ত শংকৰদেৱৰ শৈশৱ আৰু কৈশোৰৰ ছবি কিদৰে ফুটাই তোলা হৈছে, আলোচনা কৰাঁ।



Dream Dare Win
www.jeywin.com

Dream Dare Win
www.jeywin.com

**2.** ‘অযোধ্যা কাণ্ড’ত মাধৱ কন্দলিয়ে পাঠক-শ্ৰোতাৰ মনোৰঞ্জনকাৰী কি কি সমল সংযোগ কৰি মূল ৰামায়ণৰ পৰা আঁতিৰি আহিছে, বিশ্লেষণ কৰি দেখুওৱাঁ। 60

**3.** “মাধৱদেৱৰ দাস্য আৰু বাৎসল্য ভাৱপ্ৰধান অন্যান্য ৰচনাসমূহৰ তুলনাত ‘ৰাজসূয়’ কাব্যত প্ৰায় সকলো ৰসৰ সমাহাৰ ঘটিছে।”

মন্তব্যটোৰ আলমত ‘ৰাজসূয়’ কাব্যৰ কাহিনী-প্ৰৱাহ বিচাৰ কৰি কাব্যখনৰ ৰস-সৌন্দৰ্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। 60

**4.** ‘পাৰিজাত হৰণ’ নাটত সম্পূৰ্ণ দুটা পৃথক ঘটনা সংযোজন কৰি শংকৰদেৱে নাট্যকাৰৰূপে কি অভিনৱত্ব আৰু প্ৰতিভাৰ পৰিচয় দিছে, বিশদভাৱে আলোচনা কৰাঁ। 60

## Section—B

**5.** তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ *200* (দুইশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

*(a)* “ ‘প্ৰতিমা’খন সৰু, কিন্তু নিভাঁজ সোণৰ।” এই উক্তিৰ আধাৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য-প্ৰতিভাৰ পৰিচয় দিয়াঁ।

*(b)* ‘গাঁওবুঢ়া’ নাটকৰ ভোগমন চৰিত্ৰই ট্ৰেজিক চৰিত্ৰ হিচাপে কিমানদূৰ সফলতা লাভ কৰিছে, বিচাৰ কৰাঁ।

*(c)* কৃপাবৰ বৰুৱাই ‘কাকতৰ টোপোলা’ত কিদৰে হাস্যৰস সৃষ্টি কৰিছে, উদাহৰণসহ বুজাই লিখাঁ।

*(d)* ‘কাৰেঙৰ লিগিৰী’ত ৰোমাণ্টিক ভাৱাদৰ্শৰ প্ৰভাৱ দেখুৱাই এটি চমু নিবন্ধ যুগুত কৰাঁ।



Dream Dare Win
www.jeywin.com

Dream Dare Win
www.jeywin.com

**6.** 'মনোমতী' উপন্যাসত সমকালীন অসমৰ ৰাজনৈতিক আৰু সামাজিক দুৰৱস্থাৰ ছবিখন কেনেদৰে ফুটাই তোলা হৈছে, আলোচনা কৰা। 60

**7.** 'জীৱনৰ বাটত' উপন্যাসৰ কাহিনী আৰু চৰিত্ৰ—এই দুটাৰ কোনটোৱে তোমাক অধিক আকৰ্ষণ কৰে, যুক্তিসহ বুজাই লিখা। 60

**8.** 'মৃত্যুঞ্জয়' উপন্যাসত অসমৰ কোনছোৱা কালৰ ৰাজনৈতিক ইতিহাস দাঙি ধৰা হৈছে, সেয়া আলোচনা কৰি ৰাজনৈতিক উপন্যাস হিচাপে ইয়াৰ সফলতা-বিফলতা বিচাৰ কৰা। 60

★ ★ ★



Dream Dare Win
www.jeywin.com